নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত

যোৰহাট সংস্কৰণ মুঠ পৃষ্ঠা ১২

-২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ চতুৰ্দশ বছৰ সংখ্যা ১৩৪ শনিবাৰ ১৫ চ'ত ১৯৪৬শক ২৯ মাৰ্চ ২০২৫ চন ASOMIYA KHABAR JORHAT SATU

## দুলীয়াজানত ওজন থেৰাপীৰ চিকিৎসকৰ আলোচনা

আমাৰ খবৰ, দুলীয়াজান, ২৮ মাৰ্চ ঃ ২৩ মাৰ্চৰ সন্ধিয়া দুলীয়াজানৰ কাঞ্চনজংঘা হোটেলৰ প্ৰেক্ষাগৃহত চিকিৎসকসকলৰ মাজত এখন গুৰুত্বপূৰ্ণ চেমিনাৰ অনুষ্ঠিত হয়। চেমিনাৰত চেন্নাইৰপৰা অহা চিকিৎসক কাৰ্তিকেন বিশ্বনাথনে ওজন থেৰাপী আৰু মেডিচিন থেৰাপীৰ বিভিন্ন দিশ সামৰি আলোচনা আগবঢ়ায়। চেমিনাৰত অংশগ্ৰহণ কৰা বহু কেইগৰাকী চিকিৎসক আৰু উপস্থিত বিশিষ্ট ব্যক্তিসকলৰ বিভিন্ন প্ৰশ্নৰ উত্তৰৰ লগতে এই ৰোগ বিধৰপৰা মানুহে কেনেকৈ পৰিত্ৰাণ পাব সেই সন্দৰ্ভত ডাঃ বিশ্বনাথনে প্ৰজেক্টৰৰ জৰিয়তে উপস্থিত সকলোকে

### ঐতিহাসিক কানৈ মহাবিদ্যালয়

## কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ বিএ-বিএড আৰু বিএছচি-বিএড পাঠ্যক্ৰমৰ অনুমোদন

ষ্টাফ্ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৮ মাৰ্চ ঃ আন এক শুভ সংবাদ ঐতিহাসিক কানৈ মহাবিদ্যালয়লৈ কঢ়িয়াই আনিছে। সেয়া হ'ল ৮০ বছৰ গৰকা ডিএইছএছ কানৈ মহাবিদ্যালয়লৈ বহু প্ৰত্যাশাৰ অন্তত কেন্দ্ৰীয় চৰকাৰৰ এনচিটিইৰ অধীনত 'সমন্বিত শিক্ষক শিক্ষা কাৰ্যসূচী' চমুকৈ আইটেপৰ অনুমোদন লাভ কৰে। এই খবৰ লাভ কৰাৰ পাছতেই কানৈ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, শিক্ষাৰ্থী আৰু অভিভাৱকসকলৰ মাজত আনন্দৰ বন্যা বৈছে। উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰে সমগ্ৰ দেশতে কাৰ্যকৰী হোৱাকৈ কেতবোৰ বিশ্ববিদ্যালয় আৰু মহাৰিদ্যালয়ত আইটেপৰ পাঠ্যক্ৰম মুকলি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। ইয়াৰ অংশ হিচাপে ঐতিহাসিক ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ক ১১ মাৰ্চত অনুষ্ঠিত আইটেপৰ উচ্চস্তৰীয় সমিতিৰ ৩৬১ সংখ্যক সভাৰ সিদ্ধান্তমৰ্মে ইআৰচিয়ে এই অনুমোদন দিয়ে। উল্লেখ্য যে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই জানিবলৈ দিয়া মতে, ২০২৫-২০২৬ বৰ্ষৰ পৰা আৰম্ভ হ'বলগীয়া এই শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচীৰ পাঠ্যক্ৰমত উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলে নামভৰ্তি কৰিব পৰাকৈ প্ৰস্তুতি চলাই থকা হৈছে। কলা আৰু বিজ্ঞান দুয়োটা শাখাৰ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰিব পৰা এই পাঠ্যক্ৰমত ছাত্ৰ-ছাত্ৰীসকলে বিএ-বিএড আৰু বিএছচি-বিএড ডিগ্ৰী লাভ কৰিব পাৰিব। ইতিমধ্যে মহাবিদ্যালয়খনত অত্যাধুনিক সা-সুবিধাৰে শ্ৰেণী কোঠা সম্পূৰ্ণ কৰাৰ উপৰি সকলো আন্তঃগাঁথনি সম্পূৰ্ণ কৰি তুলিছে।

একমাত্ৰ জিলা প্ৰশাসন
বেদখলকাৰীয়ে মৰি
ফলত শিৱসাগৰ নগ
কৃত্ৰিম বা ৰ কবলত প
বৰষুণতেই এতিয়া হাঁহা

## অংশগ্

আমাৰ খবৰ, মাহম
পৃষ্ঠপোষকতাত আ
আয়োজিত চাহ জনগো
ঝুমইৰ নৃত্যক ঝুমই
সৰুসজাইত প্ৰায় ৯
শিল্পীক লৈ ঝুমইৰ নৃ
জনগোষ্ঠী আদিবাসীস
বিনন্দিনীত অংশগ্ৰহণ
গৰাকী শিল্পীক ২০ মা
তৰফৰ পৰা সম্বৰ্ধনা
শাখাত অনুষ্ঠিত সভ
পৰিচালক শুভৱত শিৱ
গ্ৰহণ কৰি মৰাণ শাখ
লক্ষেশ্বৰ তাঁতীয়ে অস